# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-FEB-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

———————————————

অসমত চলি থকা উচ্ছেদ অভিযানৰ নায্যতা পৰীক্ষা কৰিবলৈ এতিয়াৰে পৰা ৰাজ্য চৰকাৰে বিশেষ সমিতি গঠন কৰিব লাগিব। উচ্ছেদিত লোকসকলে দাখিল কৰা আবেদনৰ ৰায়দান কৰি ন্যায়াধীশ পি এছ্ নৰসিমহা আৰু ন্যায়াধীশ আলোক আৰাধেৰে গঠিত খণ্ড বিচাৰপীঠে ৰাজ্য চৰকাৰক এই নিৰ্দেশনা প্ৰদান কৰে। ৰাজ্যৰ বন আৰু ৰাজহ বিভাগৰ বিষয়াসকলক লৈ এই সমিতি গঠন কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ প্ৰদান কৰে। ৰাজ্য চৰকাৰে সংৰক্ষিত বনাঞ্চলতহে উচ্ছেদ অভিযান চলাব পাৰিব বুলি ৰায়দানত স্পষ্টকৈ উল্লেখ কৰা হৈছে। উচ্ছেদ অভিযান সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ সংশোধন কৰি উচ্চতম ন্যায়ালয়ে প্ৰথমে বনাঞ্চল চিহ্নিত কৰা আৰু সীমা নিৰ্ধাৰণ কৰাৰ পাছতহে বনাঞ্চল উচ্ছেদ কৰিব পাৰিব বুলি নিৰ্দেশ প্ৰদান কৰে। বন অধিকাৰ আইনৰ অধীনত বনাঞ্চলত থকা কোনো গাঁও পঞ্চায়তৰ অৱস্থানসমূহ আইনী বা বেআইনী এই বিষয়টো এই সমিতিয়ে পুংখানুপুংখভাৱে চালিজাৰি চোৱাৰ পাছতহে সিদ্ধান্ত ল'ব পাৰিব বুলি নিৰ্দেশ দিয়ে।

**বাইট (অধিবক্তা)**

000000

অসম চৰকাৰৰ বিভিন্ন বিভাগৰ পদৰ বাবে বাছনি লাভ কৰা এহেজাৰ ৬৯৪ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।  ইয়াৰ লগতে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ঠিকাভিত্তিক ১৮৫ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত লোকনিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত সৰ্বাধিক ৬৪২ গৰাকী, কৃষি উন্নয়ন বিষয়া পদত ১৯৩ গৰাকী, জলসম্পদ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত ১৪২ গৰাকী আৰু হস্ততাঁত বস্ত্ৰশিল্প তথা ৰেচম বিভাগত ৰেচম প্ৰদৰ্শক হিচাপে ১২৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই নিযুক্তি পত্ৰ বিতৰণ কৰিব। অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, উৰ্খাও গৌড়া ব্ৰহ্মকে ধৰি কেইবাগৰাকীও মন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলক ADRE অৰ্থাৎ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে বাছনি কৰা হোৱা নাই।

000000

আজিৰে পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী, বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। একেদৰে বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ গৰাকী পৰীক্ষাৰ্থী অৱৰ্তীণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিছতে মুঠ ৪৮টা পৰীক্ষাৰ মূল্যায়ন মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জানিবলৈ দিছে।

মাজুলী জিলাত এইবাৰ ৯টা পৰীক্ষা কেন্দ্ৰত মুঠ দুহেজাৰ ১৫০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহকমাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ অনুষ্ঠান আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

ইপিনে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কালিৰে পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৯০ হাজাৰ দুশ ৪৩ গৰাকী জন ছাত্ৰ আৰু ২ লাখ ৪৮ হেজাৰ ৩২২ গৰাকী ছাত্ৰী সামৰি মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। কালি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে কালিৰেপৰা সাদিনীয়াকৈ নাহৰ গ্ৰন্থ মহোৎসৱ অনুষ্ঠিত হৈছে। বিশিষ্ট সাংবাদিক, ঔপন্যাসিক তথা  বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী অনুৰাধা শৰ্মাৰ পুজাৰীয়ে এই গ্ৰন্থ মহোৎসৱ উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ সদৌ অসম ছাত্ৰ সন্থা গোট আৰু স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত তথা বৰপথাৰবাসীৰ সহযোগত এই মহোৎসৱ অনুষ্ঠিত হৈছে। অনুষ্ঠানত দিয়া ভাষণত সাহিত্যিক- সাংবাদিকগৰাকীয়ে এটা সু-সভ্য জাতি হ'বলৈ কিতাপেই একমাত্ৰ আশ্ৰয় বুলি মন্তব্য কৰে। তেওঁ বিশ্ববিদ্যালয়ৰ শ্ৰেণী কোঠাৰ পৰাই গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ গঢ়ি তুলিবলৈ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ জীতেন হাজৰিকা, পঞ্জীয়ক ডঃ পৰমানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী  বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ১৬ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই গ্ৰন্থ মহোৎসৱত ৰাজ্যৰ কেইবাটাও প্ৰকাশন আৰু বিক্ৰেতা সংস্থাই অংশগ্ৰহণ কৰিছে।

০০০০০০

কাৰ্বি আংলং জিলাৰ বিদেশী ন্যায়াধীকৰণ আদালতে কালি লেংৰি থানাৰ অধীনৰ তাজুদ্দিন, খুৰছিত আলী আৰু তিলাবস্তিৰ আমিৰ হুছেইন নামৰ ৩ জন লোকক বিদেশী বুলি চিহ্নিত কৰি ২৪ ঘণ্টাৰ ভিতৰত ভাৰত এৰি যাবলৈ নিৰ্দেশ দিয়ে। আদালতে লগতে নিৰ্দেশটো অমান্য কৰিলে আইনমতে দণ্ডনীয় হ'ব বুলি সকিয়াই দিয়ে।

০০০০০০

**সমাপ্ত**